অকঁণিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে



# নোহ আৰু মহা জলপ্লাৱন


লিখিছেঃ Edward Hughes

ব্যাখ্যা কৰিছেঃ Byron Unger; Lazarus

অনুবাদ কৰিছেঃ ড: ৰন্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.

গ্ৰহন কৰিছেঃ M. Maillot; Tammy S.


Story 3 of 60


**www.M1914.org**

***Bible for Children,*** *PO Box 3, Winnipeg, MB R3C 2G1 Canada*



**অনুমতিঃ এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰি নকৰিব।**


Assamese

নোহ ঈশ্বৰক আৰাধনা কৰা লোক আছিল। আন সকলোৱেই ঈশ্বৰক ঘৃণা কৰিছিল আৰু তেওঁৰ অবাধ্য আছিল। এদিন ঈশ্বৰে নোহক এক আশ্চৰ্য্যজনক কথা কলে, “দুষ্টতাৰে পৰিপূৰ্ণ এইট পৃথিৱীখনক মই বিনষ্ট কৰিম।” “কেৱল তোমাৰ পৰিয়ালে ৰক্ষা পাব।”



1

ঈশ্বৰে নোহক সাৱধান কৰি দিছিল যে, “এক মহা জলপ্লাৱন হব আৰু পৃথিৱী ঢাকি ধৰিব।” নোহক আদেশ দিয়া হৈছিল, “কাঠেৰে এখন জাহাজ নিৰ্ম্মাণ কৰা, এখন ইমান প্ৰকাণ্ড নাওঁ যত তোমাৰ পৰিয়াল আৰু অনেক জীৱ-জন্তু থাকিব পাৰিব”। নোহক ঈশ্বৰে সঠিক নিৰ্দ্দেশ দিছিল। নোহ ব্যস্ত হৈ পৰিল !



2


জাহাজখন কিয় নিৰ্ম্মাণ কৰিছে,
এহট কথা বুজাহট দিওঁতে
লোকবিলাকে স ৱ তেওঁক
ঠাট্টা কৰিছিল।
কিন্তু নোহে
নিৰ্ম্মাণ কাৰ্য্য
চলাহট থাকিল ।
লোকবিলাকৰ আগত
তেওঁ ঈশ্বৰৰ বিষয়েও কৈ
থাকিল। কোনেও তেওঁৰ কথা
নুশুনিলে।
3


নোহৰ দৃঢ় বিশ্বাস আছিল। আগতে
কেতিয়াও বৰষুণ নপৰা সত্তেও তেওঁ
ঈশ্বৰক বিশ্বাস কৰিছিল। নানা বিধ
সামগ্ৰীৰে পূৰ কৰিব পৰাকৈ জাহাজখনৰ
নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ
হৈ উঠিছিল।
4


এতিয়া জন্তবোৰ আহিল। কোনো কোনো প্ৰজাতিৰ সাত বিধ আন কিছুমানৰ দুবিধ
লৈছিল। বৃহত্ আৰু সৰু আকাৰৰ চৰাহটবোৰ, ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু উখ, উখ পশুবোৰ
জাহাজখনলৈ আগবাঢ়িব ধৰিলে।
5


জন্ত আৰু পশুবোৰ জাহাজ উঠাওতে লোকবিলাকে নিশ্চয়ে
নোহক ঠাট্টা আৰু তিৰস্কাৰ কৰি চিঞৰিছিল।
ঈশ্বৰৰ অহিতে পাপ কৰিবলৈ তেওঁলোকে বাদ
দিয়া নাছিল। জাহাজত সোমাবলৈ
তেওঁলোকে নোহৰ অনুমতি
বিচৰা নাছিল।
6


অৱশেষত
সকলোবোৰ
জন্ত, পশু আৰু
চৰাহটবোৰ জাহাজখনত
সোমাহট পৰিল। ঈশ্বৰে নোহৰ
নিমন্ত্ৰণ কৰিলে,“জাহাজখনলৈ
সোমাহট আহাঁ”।
7


“তুমি আৰু
তোমাৰ পৰিয়াল”।
নোহ, তেওঁৰ ভাৰ্য্যা,
তেওঁৰ তিনিজন পুত্ৰ আৰু
তেওঁলো কৰ ভাৰ্য্যাসকলে
জাহাজখনত প্ৰবেশ কৰিলে।
তাৰ পিছত ঈশ্বৰে জাহাজখনৰ
দুৱাৰ খন বন্ধ কৰি দিলে!
8


তাৰ পিছত বৰষুণ আহিল। চল্লিশ দিন আৰু চল্লিশ
ৰাতি ধাৰাসাৰ বৰষুণে পৃথিৱীখন বুৰাইট পেলাইছিল।
9


জলপ্লাৱনে নগৰ
আৰু গাওঁবোৰ বুৰাইট
পেলাইছিল। যেতিয়া বৰষুণ এৰিলে, তেতিয়া
পৰ্ব্বতসমূহো পানীৰ তলত বুৰ গৈ আছিল।
উশাহ-নিশাহ লোৱা সকলোৰে মৃত্যু হৈছিল।
10


পানী ওপৰলৈ উঠি অহাত, জাহাজখন
উপঙিবলৈ ধৰিলে। ভিতৰখন অন্ধকাৰ,
উখোৰা-মোখোৰা আৰু হয়তো ভয় লগাও
আছিল। কিন্তু জাহাজখনে নোহক
জলপ্লাৱনৰ সময়ত আশ্ৰয় দিছিল।
11


জলপ্লাৱনৰ পাঁচ মাহৰ পিছত, শুকাবলৈ ঈশ্বৰে বতাহ
বলোৱালে। ধীৰে ধীৰে, ওখ পৰ্ব্বত মালা অৰাৰটত জাহাজখন
ৰৈ গ'ল । পানী কমি নহালৈকে নোহ আৰু চল্লিশ দিন
জাহাজখনৰ ভিতৰত থাকিল।
12


জাহাজখনৰ খোলা খিড়িকীৰে নোহে এজনী ঢোঁৰা কাউৰী আৰু কপৌ
চৰাইট উড়ুৱাইট
পঠালে।
জিৰণি লবলৈ শুকান, পৰিস্কাৰ
ঠাইট বিচাৰি নোপোৱাত, কপৌ চৰাইট
জনী নোহৰ ওচৰলৈ উভতি আহিছিল।
এসপ্তাহৰ পিছত নোহে পুনৰ চেষ্টা কৰিলে।
জিত বৃক্ষৰ এখিলা নতুন পাত ঠোঁটত লৈ
কপৌজনী উভতি আহিছিল। পিছৰ সপ্তাহত নোহে
বুজিছিল যে পৃথিৱীৰ পানী শুকাইছে
কিয়নো কপৌজনী আৰু
উভতি নাহিল।
13


ঈশ্বৰে নোহক কলে যে, এতিয়া জাহাজখনৰ পৰা ওলাইট অহা
সময় হৈছে। নোহ আৰু তেওঁৰ পৰিয়ালে একে- লগে মিলি
জাহাজখনৰ পৰা জন্তুবোৰ
ওলাইট আনিলে।
14










নোহ আৰু মহা জলপ্লাবন

ঈশ্বৰৰ বাক্য, বাহটবেলত,

এহট কাহিনী পোৱা যায়

আদিপুস্তক ৬ - ১০ অধ্যায়

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”
গীতমালা ১১৯: ১৩০ পদ।

বাহটবেলৰ এহট কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাহট আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাহট আমি তেওঁৰ বিষয়ে জনাতো বাঞ্চা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক হটমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাহট দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাহট ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল! তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াহট আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁ লগত নিবাস কৰিবা।

তুমি যদি এহট সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এহটদৰে কোৱা: প্ৰিয় যীচু, মহট বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মহট নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াহট থাকিবলৈ মোক সহায় কৰক। আমেন।

বাহটবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা! যোহন ৩: ১৬ পদ।